# অধ্যায় ২ ঃ অসমীয়া লোকসংস্কৃতিৰ সাধাৰণ আভাস

## অধ্যায় গাঁথনি


২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ লোকসংস্কৃতিৰ সংজ্ঞা

২.৪ লোকসংস্কৃতিৰ বৈশিষ্ট্য

২.৫ লোকসংস্কৃতিৰ শ্ৰেণী বিভাজন

  ২.৫.১ মৌখিক সাহিত্য বা বাচিক কলা

  ২.৫.২ ভৌতিক সংস্কৃতি

  ২.৫.৩ সামাজিক লোকাচাৰ

  ২.৫.৪ লোক-পৰিৱেশ্য কলা

২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৭ অধিক জানিবলৈ

২.৮ অগ্ৰগতিৰ খতিয়ান

২.৯ আৰ্হি প্ৰশ্ন


## ২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- লোকসংস্কৃতি কাক বোলে এই সম্পৰ্কে জানিব পাৰিব
- লোকসংস্কৃতিৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰিব পাৰিব
- লোকসংস্কৃতিৰ শ্ৰেণী বিভাজন সম্পৰ্কে আলোচনা কৰিব পাৰিব
- অসমীয়া লোকসংস্কৃতিৰ শ্ৰেণী বিভাজন সম্পৰ্কে জানিব পাৰিব
- প্ৰত্যেকটো শ্ৰেণীৰ উপশাখাসমূহৰ লগত পৰিচিত হ'ব।


## ২.২ পৰিচয়

ইয়াৰ পূৰ্বৱৰ্তী অধ্যায়টোত আপুনি সংস্কৃতিৰ স্বৰূপ বিচাৰ সম্পৰ্কে অধ্যয়ন কৰিলে। এই অধ্যায়টিত আপুনি অসমীয়া লোকসংস্কৃতিৰ সাধাৰণ আভাস লাভ কৰিব।

অধ্যায়টিত অসমীয়া লোকসংস্কৃতিৰ সংজ্ঞা, বৈশিষ্ট্য, শাখাসমূহৰ গুৰুত্বপূৰ্ণ দিশসমূহৰ আলোচনা আছে। লগতে উপশাখাসমূহৰ অন্যান্য দিশসমূহো অধ্যয়ন কৰিব। উল্লেখ্য যে লোকসংস্কৃতিৰ শ্ৰেণী বিভাজনৰ প্ৰত্যেক দিশতে গুৰুত্ব আছে, কিয়নো এইবোৰে লোক জীৱনৰ বিশেষ কিছুমান দিশক প্ৰতিফলিত কৰিছে। লোকজীৱনৰ বিভিন্ন কাৰ্যাৱলী এই শ্ৰেণীসমূহত বিভক্ত কৰি লোকসংস্কৃতিবিদসকলে আলোচনা কৰিছে।

## ২.৩ লোকসংস্কৃতিৰ সংজ্ঞা

লোক মানে মানুহ। মানুহৰ সংস্কৃতিয়েই লোকসংস্কৃতি। ইংৰাজী Folklore পদটিৰ পৰিভাষাই অসমীয়া লোকসংস্কৃতি। লোকসংস্কৃতিৰ লোক পদটোৰ ঠাইত কিছুমান পণ্ডিতে গণ বা জন আদি পদো ব্যৱহাৰ কৰিছে।



### জানি থোৱা ভাল

লোকসংস্কৃতি চৰ্চাৰ দুটা ধাৰা পোৱা যায়— এটা বৰ্ণনাত্মক আৰু আনটো বিশ্লেষণাত্মক। লোকসংস্কৃতিত বৌদ্ধিক দক্ষতা প্ৰয়োগ কৰি তত্ত্ব আৰু পদ্ধতিৰে বিশ্লেষণ কৰা হয়।

লোকসংস্কৃতি পৰিভাষাটো বিভিন্ন জনে বিভিন্ন ধৰণে ব্যাখ্যা কৰিছে। লোকসংস্কৃতিত লোকসমাজৰ চিন্তা-দৰ্শন, হাঁহি-অশ্রু, প্ৰেম-প্ৰীতি, বিক্ষোভ-বিদ্ৰোহ, জন্মগত সহজাত প্ৰবৃত্তি, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, কলা-কৌশল ইত্যাদি আলোচনা কৰা হয়। নাট-নৃত্য আনকি লোকশিল্পৰ স্পষ্ট আভাস লোকসংস্কৃতিয়ে দাঙি ধৰে।

ঊনবিংশ শতিকাত ইংলেণ্ডৰ পুৰাতত্ত্ববিদ আৰু জাৰ্মানৰ ভাষাতত্ত্ববিদসকলে নিম্ন শ্ৰেণীৰ লোকৰ আচাৰ-ব্যৱহাৰাদি নিবিড়ভাৱে বিচাৰ বিশ্লেষণ কৰিবলৈ আৰম্ভ কৰাৰ লগে লগে অধ্যয়নৰ নতুন ক্ষেত্ৰ ৰূপে লোকবিদ্যাই সমাদৰ লাভ কৰিবলৈ আৰম্ভ কৰে। খ্ৰীঃ ১৮১২ চনত জাৰ্মান ভ্ৰাতৃদ্বয় জেকব গ্ৰিম আৰু উইলিয়াম জেকবে জাৰ্মান দেশৰ লোককথা আৰু পুৰাবৃত্তৰাজি প্ৰকাশ কৰিবলৈ লয় (Kinder-und-Hausmarchen or the Household tales)। জাৰ্মান দেশৰ সেই লোককথা আৰু পুৰাবৃত্ত বুজাবৰ বাবে গ্ৰিম ভাতৃদ্বয়ে Volks kunde পদটো ব্যৱহাৰ কৰিছিল। Volkৰ অৰ্থ লোক (Flok) আৰু Skundeৰ অৰ্থ অভিজ্ঞতা।

কোনো এটা জাতিৰ আদিম অৱস্থাৰ পৰা সভ্য স্তৰলৈকে আঁত নিচিগাকৈ চলি অহা জনশ্ৰুতিয়ে হয় লোক সাহিত্য। ই গদ্য আৰু গীত দুয়ো ৰূপতেই যুগ যুগ ধৰি সমাজৰ মুখে মুখে সৃষ্ট আৰু সংৰক্ষিত। ধৰ্ম অনুষ্ঠান, পুজা-পাতল, লোকবিশ্বাস, নিয়ম-কানুন, সাধু-উপাখ্যান, প্ৰকৃতিৰ ব্যাখ্যা, নৃত্য-নাট্য, অভিনয়, ক্ৰীড়া পুৰা কাহিনী, কৌতুক এই সকলোবোৰৰ সমাহাৰত লোকসংস্কৃতি গঢ় লৈ উঠে।

Jonas Balysৰ মতে লোকবিদ্যা আদিম আৰু সভ্য জনসাধাৰণৰ পৰম্পৰাগত সৃষ্টি। জনবিশ্বাস, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, খেলা-ধূলা, নাচন-কাচন, পৰিৱেশ্য কলাৰীতি আদি ইয়াৰ সমল বা উপাদান। লোকবিদ্যা কেৱল লোকবিজ্ঞানেই নহয়, বৰং ই পৰম্পৰাগত লোকবিজ্ঞানহে (Traditional Folk Science)।

উইলিয়াম আৰু বেচকমৰ মতে নৃতাত্বিক দৃষ্টিভঙ্গীৰ ফালৰ পৰা লোকবিদ্যা পদটোৰে পুৰাবৃত্ত, জনশ্ৰুতি, লোক-কাহিনী, লোকোক্তি, প্ৰবচন, যোজনা-ফকৰা-দৃষ্টান্ত, সাঁথৰ, কবিতা,

গীত আৰু অনান্য কলাত্মক অভিব্যক্তিক ইঙ্গিত কৰে। অন্য প্ৰকাৰে লোকবিদ্যাক শাব্দিক আৰু বাচিক কলাও বুলিব পাৰি। ইংৰাজী Folkloreৰ সংজ্ঞা অভিধানত এনেদৰে পোৱা যায়— The Traditional beliefs, legends or stories passed by word of mouth within a society। লোকসংস্কৃতিৰ অধ্যয়নেই হ'ল লোকসংস্কৃতি বিজ্ঞান— Folkloristic is the formal academic discipline devoted to the study of Folklore। লোকসংস্কৃতি বিজ্ঞান শব্দটো ঊনবিংশ শতিকাত জাৰ্মান লোকসংস্কৃতিবিদে ব্যৱহাৰ কৰে। লোকসংস্কৃতিবিদ ডাণ্ডিছে লোক-সংস্কৃতিক বৈজ্ঞানিক বোধান্বয়ন (Scientific Appreciation) বুলি কৈছে।

Folk বা লোকৰ গুৰুত্বপূৰ্ণ দিশসমূহ হৈছে— অতীতমুখী, যাদু-মন্ত্ৰত আশ্ৰয়ী, কিছুমান পৰম্পৰাত বিশ্বাসী, হস্তশিল্প বা সামগ্ৰীত গুৰুত্ব প্ৰদান কৰা, কৃষি বা হস্তশিল্পত নিৰ্ভৰশীল, প্ৰায়ে নিৰক্ষৰ, মৌখিক পৰম্পৰাত বিশ্বাসী আৰু অঞ্চল বিশেষত সমাজ পাতি বাস কৰা লোককৃষ্টিত চহকী লোক। এনে ধৰণে জীৱন-যাপন কৰি থকা কোনো এটা নৃগোষ্ঠীয় বা সম্প্ৰদায়ৰ সামগ্ৰিক জীৱন পদ্ধতিৰ নামেই লোকসংস্কৃতি; যিয়ে ন্যূনতম এটা উমৈহতীয়া উপাদানৰ অংশীদাৰ কোনো এক জনসমাজকেই বুজায়— যি উমৈহতীয়া ভাষা, ধৰ্ম, ব্যৱসায় আদিয়ে জনগোষ্ঠীটোৰ মাজত সম্পৰ্ক ৰক্ষা কৰিব পাৰে। অৰ্থাৎ ৰাজনৈতিকভাৱে পৰিচিহ্নিত উন্নত সাংস্কৃতিক অঞ্চলত বসবাস কৰি অহা অথচ ভূ-সংস্থান, ভৌগোলিক পৰিৱেশ, ধৰ্ম, কথিত ভাষা, অৰ্থনীতি আৰু প্ৰজাতিৰ ফালৰ পৰা চহকী হৈ থকা জনসমষ্টিয়েই Folk বা লোক। আৰু Loreৰ অৰ্থ জনসাধাৰণৰ কৃতি, তেওঁলোকৰ আচাৰ-ব্যৱহাৰ, পৰম্পৰাগত জ্ঞান অভিজ্ঞতা।

লোকসংস্কৃতি পৰম্পৰা আশ্ৰয়ী। ই মানৱ ইতিহাস, মানৱ বিজ্ঞান। কিন্তু পৰম্পৰাও কেতিয়াবা সময় আৰু পৰিৱেশৰ সলনিৰ লগে লগে পৰিৱৰ্তন হয়। অকল পৰম্পৰাগত সমাজতহে যে লোকসংস্কৃতি জীয়াই থাকে তেনে কথা অমূলক। আধুনিক সমাজ আৰু আধুনিক জীৱনশৈলীৰ মাজতো লোক-সংস্কৃতি জীৱন্ত পৰম্পৰা হৈ গতিময় হৈ থাকিব পাৰে। সমাজতাত্ত্বিকসকলৰ মতে লোকসংস্কৃতিৰ সমলৰাজি যদিও অতীতৰ পৰা সংগৃহীত বৰ্তমান সৃষ্ট নহয়, সেয়েহে অতীতৰ সমলৰাজিৰ খণ্ডিত ৰূপহে বৰ্তমান সমাজত চলি আছে। অতীতৰ সমলৰাজিৰ বহু কথাই অনুমানৰ ওপৰত নিৰ্ভৰশীল। যিহেতু আধুনিক যুগতো লোকসংস্কৃতিৰ সমলৰাজি সৃষ্টি হৈয়ে আছে, সেয়ে লোকসংস্কৃতি এক জীৱন্ত পৰম্পৰা, এক নিৰৱছিন্ন প্ৰবাহ। লোকসংস্কৃতি পৰম্পৰাগত হ'লেও ইয়াত সমসাময়িক বৈশিষ্ট্যও বিদ্যমান। সেয়ে 'লোক' অভিধাটিয়ে কেৱল নিৰক্ষৰ, গাঞা ৰাইজকে নুবুজায়; ই পৰম্পৰা আশ্ৰয়ী গাঞালোকেই হওঁক বা চহৰীয়া-নগৰীয়াই হওঁক য'ত লোকসংস্কৃতিৰ সমল জীয়াই থাকে তাকে বুজায়। আধুনিক হৈও বা চহৰ-নগৰত স্থায়ীভাৱে বাস কৰিও জীৱনশৈলী, আচাৰ-ব্যৱহাৰ, পোছাক-পৰিচ্ছদ, ৰন্ধন-প্ৰণালী আৰু দৃষ্টিভঙ্গীত যদি পৰম্পৰা আশ্ৰয়ী হয়; তেন্তে তেতিয়াও লোকসংস্কৃতি জীয়াই থাকিব। জীৱন-যাপনৰ পদ্ধতিত লোকজ্ঞান-বিদ্যা আৰু মানসিক অৱস্থাই লোকসংস্কৃতিৰ মূল সমল।

- সাধাৰণতে কোনো এটা জাতিৰ বিষয়ে জানিবলৈ, তেওঁলোকৰ সভ্যতা সংস্কৃতিৰ বিষয়ে জানিবলৈ লোকসংস্কৃতিৰ অধ্যয়ন অপৰিহাৰ্য। লোকসংস্কৃতিৰ জৰিয়তে একোটা জাতিৰ

সভ্যতা সংস্কৃতিৰ মূল্যায়ন আৰু সেইবোৰৰ স্বৰূপ নিৰ্ণয় সম্ভৱপৰ হৈ পৰে। লোকসংস্কৃতি সভ্যতাৰ অঙ্গ বিশেষ। ইয়াৰ অধ্যয়ন-চৰ্চাই সাংস্কৃতিক ঐক্যৰ ভাব গভীৰ কৰি তোলে। সামাজিক মনস্তত্ত্ব অধ্যয়নৰ প্ৰধান আহিলা লোকসংস্কৃতি। লোকসংস্কৃতি লোকজীৱনৰ হৃদস্পন্দন। সামাজিক সংযুতিৰ মাজত থকা সূক্ষ্মতৰ সম্পৰ্কৰ আভাস লোকসংস্কৃতিয়ে দাঙি ধৰে। লোকজীৱনৰ বিভিন্ন কাৰ্যকলাপৰ ই দাপোন। ইয়াৰ বৈজ্ঞানিক অনুশীলনৰ সংযোগত ইতিহাসৰ অনেক বিস্মৃতপ্ৰায় তথ্য উদ্ধাৰ কৰা সম্ভৱ হ'ব পাৰে আৰু সেই তথ্যৰ পৰা ইতিহাসৰ মূল্যবান সম্পদ সংগ্ৰহ কৰা সুবিধা হয়। সাহিত্যৰ লগতে কোনো এটা ভাষাৰ বিষয়ে প্ৰণালীবদ্ধ বিজ্ঞানসন্মত অধ্যয়নৰ বাবেও সেই ভাষা সম্প্ৰদায়ৰ লোকসংস্কৃতিৰ অধ্যয়ন প্ৰয়োজনীয়।

## ২.৪ লোকসংস্কৃতিৰ বৈশিষ্ট্য

- লোকসংস্কৃতি কোনে সৃষ্টি কৰিছে বা কেতিয়া আৰম্ভ হৈছে ইত্যাদি কথা বিচাৰ কৰা নহয়। অনামী ৰচয়িতা ইয়াৰ প্ৰধান বৈশিষ্ট্য।
- সাম্প্ৰদায়িক সম্প্ৰীতি বজাই ৰখা।
- জাতীয় ঐক্য-সংহতি আৰু সাংস্কৃতিক চেতনা উদ্বুদ্ধ কৰা।
- সমাজ বাস্তৱতা-সমাজৰ বাস্তৱ দিশসমূহ প্ৰতিফলিত কৰা ইয়াৰ অন্যতম বৈশিষ্ট্য।
- লোকজীৱনৰ আদৰ্শবাদ আৰু সৌন্দৰ্য্যবোধ প্ৰকাশ কৰা।
- লোকসংস্কৃতি অলিখিত-মৌখিক বা বাচিক সৃষ্টি।
- সমন্বয়ৰ প্ৰৱণতা বৃদ্ধি কৰা।
- লোকজীৱনৰ সামগ্ৰিক লোকশিল্প, লোকবিদ্যা-অভিজ্ঞতাক প্ৰতিফলিত কৰা।
- বাচিককলাৰূপক পূৰ্ণ প্ৰকাশ কৰা।
- পৰম্পৰাগত সংস্কৃতিৰ পূৰ্ণ চিত্ৰ দাঙি ধৰা।
- লোকজীৱনৰ বিশ্লেষণ কৰা।
- লোকজীৱনৰ বিবিধ ঘটনা বা বিষয়ৰ ব্যাখ্যা কৰা আৰু সূত্ৰ নিৰ্ণয় কৰা।
- সংস্কৃতিৰ উপযুক্ত বিশ্লেষণ কৰা।
- লোকজীৱনৰ প্ৰাসঙ্গিক বিষয়সমূহৰ প্ৰতি কৌতূহল উদ্ৰেক কৰা।
- সংস্কৃতিৰ লক্ষণসমূহ চিনাকি কৰাই দিয়া।
- লোকজীৱনক কোনে কেনেদৰে গ্ৰহণ কৰিছে তাক নিৰ্ণয় কৰা।
- লোকসমাজৰ সামাজিক প্ৰক্ৰিয়া, জনজীৱনৰ কাৰ্যাৱলীক ক্ৰিয়াশীল কৰা লোক-সংস্কৃতিৰ উল্লেখযোগ্য বৈশিষ্ট্য।
- বিদ্যায়তনিক দিশৰ উপৰিও লোকজীৱনৰ প্ৰায়োগিক আৰু বাণিজ্যিক মাত্ৰাৰ বিচাৰ কৰা।

- লোকজীৱনৰ সংস্কৃতিৰ উপৰিও লোকায়ত মানুহৰ জীৱনৰ সকলো শিল্পীৰ সামাজিক সংস্থান, তেওঁলোকৰ বাস্তৱ জীৱনৰ সত্য অন্বেষণো লোকসংস্কৃতিৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য।
- নৈৰ্ব্যক্তিক বিশ্লেষণ আগবঢ়োৱা।
- শিল্পকৰ্মৰ জৰিয়তে সামাজিক সমস্যা দূৰ কৰাৰ প্ৰৱণতা।
- মানৱ সভ্যতাৰ স্বৰূপ অধ্যয়ন।
- সামাজিক প্ৰকাৰ্য সাধন কৰা আৰু আনুষ্ঠানিক শিক্ষা প্ৰদান কৰা ইত্যাদি লোকসংস্কৃতিৰ বৈশিষ্ট্য।

## ২.৫ লোকসংস্কৃতিৰ শ্ৰেণী বিভাজন

লোকসংস্কৃতিৰ শ্ৰেণী বিভাজনৰ ক্ষেত্ৰত ৰিচাৰ্ড এম. ডৰচনে চাৰি ধৰণৰ বহল ভাগ কৰি দেখুৱাইছে— মৌখিক সাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক লোকৰীতি-নীতি আৰু লোক পৰিৱেশ্য কলা।

### ২.৫.১ মৌখিক বা বাচিক কলা

উইলিয়াম ৰিচাৰ্ড বেচকমে মৌখিক সাহিত্যক বুজাবৰ বাবে Verbal art পদটো ব্যৱহাৰ কৰিছে। তেওঁৰ মতে অলিখিত সাহিত্য, জনপ্ৰিয় সাহিত্য, জনসাহিত্য, আদিম সাহিত্য আৰু মৌখিক সাহিত্য আদি অভিধাই সাহিত্যৰ লগত থকা বাচিক কলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মৌখিক কলা (Verbal Art) পৰিভাষাই সকলো ধৰণৰ সমস্যাৰ প্ৰায় সমাধান কৰে আৰু লোককথা, পুৰাবৃত্ত, লোকোক্তি আদি সম্বন্ধ আৰু সম্পৰ্কযুক্ত ৰূপৰ মাজত থকা পাৰস্পৰিক পাৰ্থক্যখিনি স্পষ্টভাৱে দেখুৱাই দিয়ে। মৌখিক সাহিত্যক বুজাবলৈ অভিব্যঞ্জক সাহিত্য অৰ্থাৎ Expressive Literature পদটোও ব্যৱহাৰ কৰা দেখা যায়। পুনৰাবৃত্তিক প্ৰতিদৰ্শ, নিদৰ্শনকাৰী কথিত, গেয় আৰু বাচিক শ্ৰব্যৰূপ আদি পৰম্পৰাগত উক্তি আদি এই শ্ৰেণীৰ ভিতৰত পৰে। ইয়াৰ শাখাসমূহ এনে ধৰণৰ—

- লোককাহিনী
- বৰ্ণনাত্মক বা কাহিনীযুক্ত লোককবিতা
- লোক মহাকাব্য
- লোকোক্তি
- সাঁথৰ বা দিষ্টান
- লোকভাষা

লোক কাহিনীকাব্যসমূহ মৌখিক। ই পৰম্পৰাগত সাহিত্য। পৰম্পৰাগত সাহিত্যক দুটা ভাগত ভাগ কৰিব পাৰি— মৌখিক পৰম্পৰাগত আৰু লিখিত পৰম্পৰাগত। মৌখিক বা বাচিক কলাৰ শাখা লোক কাহিনী বা লোককাব্যসমূহত পৰিৱৰ্তন, পৰিবৰ্দ্ধন, উত্তৰণ

আদি প্ৰক্ৰিয়াৰ স্থান সুদূৰপ্ৰসাৰী। লোক কাহিনীকাব্যসমূহ বৰ্ণনামূলক আৰু অসাধাৰণ মানৱৰ দুঃসাহসিক কাৰ্যাৱলীৰ বৰ্ণনা ইয়াৰ প্ৰধান উপজীব্য। লিখিত কাব্যগীতৰ লগত মৌখিক কাব্যগীতৰ পাৰ্থক্য স্পষ্ট। লোককাব্যসমূহ— বেলাড, ধৰ্মীয় গীত, প্ৰণয় গীত, কৰ্ম গীত, উৎসৱ অনুষ্ঠানৰ লগত জড়িত গীত, বিদ্ৰূপাত্মক গীত, কেঁচুৱা আৰু ল'ৰা ছোৱালীৰ লগত সম্পৰ্কযুক্ত টোপনি নিওৱা গীত, শিশুৰ খেল-ধেমালিৰ লগত জড়িত গীত। লোককাব্যসমূহ পৰম্পৰাগতভাৱে বংশানুক্ৰমে মানুহৰ মুখে মুখে চলি থাকে। ইয়াত কোনো ৰচকৰ নাম নাথাকে। ইয়াৰ বৈশিষ্ট্য কেইটা হ'ল— লোককাব্যই মুখ পৰম্পৰা প্ৰৱহমান হৈ থকাৰ পিছত লিখিত ৰূপ লয়, লোককাব্যত বীৰত্বপূৰ্ণ বৰ্ণনাত অতিৰঞ্জনৰ গুৰুত্ব লক্ষণীয়। অবৰ্ণিত ঐতিহাসিক চৰিত্ৰ আৰু ঘটনাৰ অভিব্যঞ্জনা আৰু স্মৰণীয় ঘটনাৱলীৰ লগত মিথ জনশ্ৰুতি আদিৰ পৰা আধৃত কাল্পনিক আনুষঙ্গিক বিষয়ৰ সমাহৰণ আৰু সেই বিচ্ছিন্ন ঘটনাবোৰক অবিচ্ছেদ্য ৰূপত অথচ শিথিলবন্ধী গঢ়ত কল্পনা আৰু বাস্তৱৰ ভিত্তিত ৰূপায়ণ আদিয়েই ইয়াৰ বিশেষত্ব। লোককাব্যত ইতিহাসৰ লগত সাধুকথাৰ সমন্বয় অনস্বীকাৰ্য। *ৰামায়ণ, মহাভাৰত*ৰ ইতিহাসৰ লগত সাধুকথাৰ একীভৱনৰ সুন্দৰ দৃষ্টান্ত পোৱা যায়। অকল ৰামায়ণ, মহাভাৰতেই নহয়; পুৰাণ-উপপুৰাণ আদিৰ ঘটনাৰাজিও মিথ্, জনশ্ৰুতি, সাধুকথা আদিৰ পৰা বিধৃত। কাহিনীগীত বা বেলাত-সমূহক এনেদৰে ভাগ কৰিব পাৰি— পুৰাণগত মালিতা, নৈদানিক মালিতা, ঐতিহাসিক, জনশ্ৰুতিমূলক, যাদুমূলক, ব্যঙ্গাত্মক আৰু বাস্তৱানুগ মালিতা।

পুৰাণ মালিতাক অতিকথা জাতীয় মালিতা বুলিব পাৰি। এই বিধ মালিতাৰ কথাবস্তু, কাহিনী মিথধৰ্মী। মিথধৰ্মী কাহিনীসমূহত দূৰ অতীতৰ কাহিনী বৰ্ণিত হয়। ইয়াৰ চৰিত্ৰবোৰ মানুহ নহয়, অতি মানৱহে। এই মালিতাৰ কাহিনীভাগ পৱিত্ৰ আৰু বিশ্বাসযোগ্য বুলি বিবেচনা কৰা হয়। এইবোৰত এখন বেলেগ জগতৰ বৰ্ণনা পোৱা যায় যিবোৰ বৰ্ণনাত ধৰ্মীয় অনুষঙ্গ জড়িত থাকে। অনেক ক্ষেত্ৰত পুৰাণগত মালিতাই কোনো এটা ধৰ্মীয় কৃতৰ চনদ, হুকুমনামা আৰু পথপঞ্জী স্বৰূপে কৰ্ম সম্পাদন কৰে। জগত সৃষ্টিৰ বৰ্ণনা, ধৰ্মীয় কৃত্য আৰু ইয়াৰ লগত জড়িত সমলৰাজিৰ উৎপত্তিৰ বিষয়ে এইবিধ মালিতাত পোৱা যায়। ৰহস্য ভৰা ইন্দ্ৰজালিক ৰোমান্স মিশ্ৰিত নৈসৰ্গিক ঘটনাৰে লোক-পুৰাণসমূহ সমুজ্জ্বল। যেনে— ইন্দ্ৰ-অহল্যা মিথ, ইন্দ্ৰৰ কাহিনী, অহল্যা উদ্ধাৰ আদি তদান্তীন সমাজ জীৱনৰ ইতিহাস, তদান্তীন লোকমানসৰ সুগভীৰ মনস্তত্ত্বৰ প্ৰতীকী ৰূপায়ণ। কোনো ঘটনা সংঘটিত নোহোৱাৰ পূৰ্বেই তাৰ কলাত্মক অভিব্যক্তি সম্ভৱ নহয়, অন্ততঃ ঐতিহাসিক দৃষ্টিভঙ্গীৰ ফালৰ পৰা যদিও ৰামৰ জন্ম নৌহওঁতেই ৰামায়ণ ৰচনা হোৱাৰ কথা প্ৰচলিত পোৱা যায়। পণ্ডিতসকলৰ মতে বাল্মিকীয়ে ৰামায়ণ ৰচনা কৰাৰ পূৰ্বেই ৰাম সম্পৰ্কীয় বিভিন্ন কাহিনী লোককাব্য ৰূপে প্ৰচলিত আছিল। তেনেদৰে মহাভাৰতৰ লগতো বিভিন্ন পুৰাণ উপপুৰাণৰ কাহিনীবোৰ লোককাব্য ৰূপে প্ৰচলিত আছিল। অসমীয়াত যুজাৰু বীৰসকলকলৈ লোককাব্য, মানৰ আক্ৰমণকলৈ লিখা বদন

বৰফুকনৰ গীত ইত্যাদি লোককাব্য পোৱা যায়। দলিপুৰাণৰ কাহিনীভাগ সাধুকথা ৰূপেও পোৱা যায়। নৈদানিক মালিতাত জগৎ সৃষ্টিৰ বিভিন্ন বস্তুৰ উৎপত্তি, প্ৰাকৃতিক কাৰ্য কাৰণৰ ব্যাখ্যা, পৰ্বত-পাহাৰ আদিৰ জন্ম, গছ-বৃক্ষ, লতা-লতিকা আদি উৎপত্তিৰ বৰ্ণনা পোৱা যায়। নৈসৰ্গিক জগৎ সম্পৰ্কীয় লোকসমাজৰ জ্ঞান-অভিজ্ঞতাৰ আভাস এই গীতবোৰৰ জৰিয়তে পোৱা যায়। অসমীয়া ভাষাত নৈদানিক গীত অলেখ।

ঐতিহাসিক মালিতাৰ কাহিনী বা কথাবস্তু কোনো ঐতিহাসিক ঘটনাৰ আধাৰত পল্লৱিত হৈ উঠে। লিখিত বুৰঞ্জী বা ইতিহাস ৰচনাত ঐতিহাসিক মালিতাই বিশেষভাৱে সহায় কৰিব পাৰে। ঐতিহাসিক মালিতাৰ নায়ক বা নায়িকাৰ বীৰত্বপূৰ্ণ চাৰিত্ৰিক বিশেষত্বৰাজিয়ে স্থান লাভ কৰে। এই গীতবোৰ বীৰৰসপ্ৰধান। এই জাতীয় গীতে জাতীয় চৈতন্য বৃদ্ধি কৰে আৰু সাহিত্যিকসকলক কাব্য, নাট, উপন্যাস লিখাৰ সমল যোগায়। অসমীয়া সাহিত্যত ৰচিত বদন বৰফুকনৰ গীত, পদ্মকুমাৰীৰ গীত, বাখৰ বৰাৰ গীত এই শ্ৰেণীৰ উল্লেখযোগ্য গীত।

➢ **যাদুমূলক গীত ঃ** যি মালিতাৰ মাধ্যমেৰে যাদুমূলক বা বিস্ময়াবহ বা অলৌকিক কাহিনী বৰ্ণিত হয় সেই মালিতাৰ নাম যাদুমূলক মালিতা। তেজীমলা, কমলাকুঁৱৰীৰ গীত, জনাগাভৰুৰ গীত ইত্যাদি এই শ্ৰেণীৰ গীত।

ব্যঙ্গাত্মক মালিতাত সামাজিকভাৱে অন্যায় বা অনুচিত আচৰণ বা কাৰ্যাৱলীক ব্যঙ্গ কৰি ৰচিত হয়। ব্যঙ্গাত্মক মালিতাৰ উদ্দেশ্য সমাজ সংশোধন বা সংস্কাৰ কৰা। বহুৱা, ভাউৰীয়া, ভাইৰা, ওজাপালি, ঢুলীয়া আদিৰ মুখত ব্যঙ্গাত্মক মালিতা পোৱা যায়।

বাস্তৱানুগ মালিতা— যিবোৰ মালিতাত কম বেছি পৰিমাণে সমাজৰ বাস্তৱ জীৱনৰ প্ৰতিফলন ঘটে আৰু সৰু সুৰা ঘটনা আৰু প্ৰেম-প্ৰীতিৰ পৰিচয় পোৱা যায় তেনে মালিতাক বাস্তৱানুগ মালিতা বুলিব পাৰি। ইয়াত কিছুমান বিস্ময়াৱহ ঘটনায়ো কেতিয়াবা স্থান পায়।এই গীতসমূহ কামৰূপ জিলা আৰু দৰং জিলাত পোৱা যায়। সাউদৰ গীত, পাগলা পাৰ্বতীৰ গীত, দুবলা শান্তিৰ গীত ইত্যাদি এই শ্ৰেণীৰ মালিতা।

বাৰমাহী গীতবোৰ মালিতাৰ এটি অংশ বিশেষ। ইয়াত এটা কাহিনীৰ আভাস থাকে। অসমীয়াত বাৰমাহী গীত আৰম্ভ হয় আঘোণ মাহৰ পৰা।

➢ **লোককাব্য/মহাকাব্য ঃ** পণ্ডিতসকলৰ মতে দীঘলীয়া বেলেড বা কাহিনী গীতেই শেষত লোককাব্য, লোকমহাকাব্য বা লোকপুৰাণ হিচাপে আত্মপ্ৰকাশ কৰে। এই শ্ৰেণীৰ কাব্যত বীৰত্বপূৰ্ণ বৰ্ণন আৰু অতিৰঞ্জনত গুৰুত্ব দিয়ে। অবৰ্ণিত ঐতিহাসিক চৰিত্ৰ আৰু ঘটনাৰ অভিব্যঞ্জন আৰু স্মৰণীয় ঘটনাৱলীৰ লগত মিথ,জনশ্ৰুতি আদিৰ পৰা আধৃত কাল্পনিক আনুষঙ্গিক বিষয়ৰ সমাহৰণ আৰু সেই বিচ্ছিন্ন ঘটনাবোৰক অবিচ্ছেদ্য ৰূপত অথচ শিথিলবন্ধী গঢ়ত কল্পনা আৰু বাস্তৱৰ ভিত্তিত ৰূপায়ণ কৰা আদিয়েই লোককাব্যৰ বিশেষত্ব।

➢ লোকোক্তি, সাঁথৰ, দিষ্টান প্ৰবচনবিলাকো মানুহৰ মুখে মুখে চলি অহা লোকসমাজৰ বিভিন্ন জ্ঞান-অভিজ্ঞতা, আচাৰ-ব্যৱহাৰৰ পৰা এই প্ৰবাদসমূহৰ উৎপত্তি। প্ৰবচনৰ অৰ্থ ব্যাখ্যাৰ বাবে প্ৰসঙ্গ অপৰিহাৰ্য। ইয়াক সুনিৰ্দিষ্ট সামাজিক পৰিস্থিতিৰ অভিব্যক্তি ৰূপে আখ্যা দিব পাৰি।

সাঁথৰসমূহ প্ৰহেলিকাময়। এইবোৰ প্ৰশ্ন বৰ্ণনাৰ ৰূপত উপস্থাপিত কৰা হয়। উত্তৰদাতাই এই বৰ্ণনা প্ৰায়ে অনুমান কৰি ল'ব লগা হয়। সাঁথৰ অভিধাৰ প্ৰতিশব্দ ৰূপে দিষ্টান্ত আদি শব্দ ব্যৱহাৰ কৰা হয়। সাঁথৰ পৰম্পৰাগত বাচিক অভিব্যঞ্জনা; ই এটা বা তাতকৈ সৰহ বৰ্ণনাত্মক সমলৰ সমষ্টি। সাঁথৰত চাৰিবিধ বিৰোধ থাকে—ৰূপক বা প্ৰতীকৰ বৈপৰিত্য বা বিৰোধ, অসম্পূৰ্ণ ৰূপক বা প্ৰতীক, বৰ্ণনাৰ আধিক্যৰ জৰিয়তে প্ৰকট হোৱা বিৰোধ আৰু মিথ্যা ৰূপক বা প্ৰতীকৰ জৰিয়তে পৰিস্ফুট বিৰোধ। সাঁথৰবোৰ দৰাচলতে প্ৰশ্নহে। সাঁথৰৰ প্ৰশ্নবোৰ প্ৰহেলিকাময়, সেয়ে হিন্দী ভাষা প্ৰচলিত ভাৰতৰ বিভিন্ন অঞ্চলত সাঁথৰৰ নাম প্ৰহেলিকা। সাঁথৰৰ এটা ভাগক বৰ্ণনাত্মক সাঁথৰ বোলা হয়। টেটকুঁটিমূলক প্ৰশ্নবোৰো এক প্ৰকাৰ সাঁথৰেই। জ্ঞানমূলক সাঁথৰ, সমস্যাপ্ৰধান সাঁথৰ, ছল সাঁথৰ ইত্যাদি অসমীয়া সাঁথৰৰ ভাগ।

➢ **লোকভাষা ঃ** ভাষা মানে কোনো এক আঞ্চলিক উপভাষাৰ অন্তৰ্গত অনাখৰী সম্প্ৰদায়ৰ মাজত প্ৰচলিত ভাষা। লোকভাষা তুলনামূলকভাৱে সাধু বা কথিত ভাষাতকৈ পুৰণি। লোকভাষা লোকসাহিত্যৰ দৰে মুখ পৰম্পৰাত প্ৰচলিত। সাধাৰণতে গ্ৰাম্য অঞ্চলত স্বতন্ত্ৰভাৱে বাস কৰা শিক্ষা আৰু আধুনিকতাই স্পৰ্শ নকৰা বয়সত প্ৰবীণ লোকৰ ভাষিক বৈশিষ্ট্যৰ বিশ্লেষণ আৰু বৰ্ণনাতেই সাধাৰণভাৱে লোকভাষা অধ্যয়নৰ সীমা পৰিসীমিত। অন্য ক্ষেত্ৰতকৈ নিষিদ্ধ ভাষাৰ ক্ষেত্ৰত লোকভাষাৰ প্ৰভাৱ অতি স্পষ্ট। লোকসাহিত্য যিদৰে লিখিত বা অভিজাত সাহিত্যৰ মূল ভেটি; তদ্ৰূপ লোকভাষাই সকলো ভাষাৰ বুনিয়াদ। ভাষা ব্যাকৰণৰ দ্বাৰা অনুশাসিত হ'লেও জীৱন্ত ভাষাই প্ৰায়ে ব্যাকৰণৰ অনুশাসন মানি চলিবলৈ ইচ্ছা নকৰে। লোকভাষাত স্বাভাৱিকতাৰ ক্ৰিয়াই অত্যাধিক।

## ২.৫.২ ভৌতিক সংস্কৃতি

- ➢ লোকশিল্প
- ➢ লোককলা
- ➢ লোকস্থপতি বিদ্যা
- ➢ লোকৰন্ধন

➢ **লোকশিল্প ঃ** হস্তশিল্প বা কাৰুশিল্প, চাৰুশিল্প, মৃৎশিল্প, টেৰাকোটা, বাঁহ শিল্প, বেত শিল্প, কাঠশিল্প, টকৌপাত, নাৰিকলৰ পাত, নাহৰৰ পাত, তালপাত আদি শিল্পবস্তু,

দাঁত, হাড়, ছাল, খেৰ ইত্যাদিৰ দ্বাৰা নিৰ্মিত শিল্পবস্তু, ধাতুৰে নিৰ্মিত শিল্প, সূতা, কাপোৰ ৰং কৰা শিল্প, কুহিলা শিল্প, পৰম্পৰাগত বাদ্যযন্ত্ৰ ইত্যাদি লোকশিল্প।

- **হস্তশিল্প বা কাৰু শিল্প ঃ** হস্তশিল্প ভৌতিক সংস্কৃতিৰ এটা প্ৰয়োজনীয় উপাদান। লোকসমাজত জীৱনযাপন কৰিবলৈ মানুহে কিছুমান শিল্প নিজ হাতেৰে গঢ়ে— এনেদৰে সৃষ্টি কৰা শিল্পই হস্তশিল্প। ইয়াক কুটিৰ শিল্প বুলিও কোৱা হয়। লোকশিল্পসমূহ জীৱনৰ বাস্তৱিক বা প্ৰাত্যহিক দিশৰ সৈতে সম্পৃক্ত। লোকশিল্পৰ লগত অৰ্থনৈতিক দিশ জড়িত হৈ থাকে। সাধাৰণতে মাটি, শিল, বাঁহ, কাঠ, বেত, সৌখা, পাতিদৈয়া, জন্তুৰ শিং, জন্তুৰ হাড়, ধাতু, জৰী গছৰ পাত, বাকলি, চামৰা, কঁপাহ, কুহিলা, ফুল আদিৰ পৰা লোকশিল্প নিৰ্মাণ কৰা হয়। কুমাৰ আৰু হীৰাসকলে উভয়ে যদিও মাটিৰ পৰাই বিবিধ বাচন-বৰ্তন, মূৰ্তি-পুতলা আদি প্ৰস্তুত কৰে তথাপি উভয়ৰ মাজত বৈসাদৃশ্য স্পষ্ট। কুমাৰৰ দ্বাৰা গঢ়া শিল্প পুজা-পাতল, উৎসৱ-অনুষ্ঠান, সংস্কাৰমূলক কামত ব্যৱহাৰ হয়, কিন্তু হীৰাৰ দ্বাৰা নিৰ্মিত বাচন-বৰ্তন পূজা পাতলৰ কামত ব্যৱহাৰ নহয়।
- **চাৰুশিল্প ঃ** লোককলা জীৱনৰ বাস্তৱিক বা প্ৰাত্যহিক দিশৰ সৈতে জড়িত, কিন্তু অৰ্থনৈতিক দিশৰ সৈতে জড়িত নহয়। আচলতে যি শিল্পত দৈনন্দিন প্ৰয়োজনীয়তাৰ দাবীতকৈ আনন্দ প্ৰদানৰ দাবীয়ে প্ৰাধান্য লাভ কৰে সেই শিল্পকলাক কলা আখ্যা দিয়া হয় আৰু যি কলা লোকজীৱনৰ অংশীদাৰসকলে এই সমাজক আনন্দ দিবৰ বাবে নিৰ্মাণ কৰে সেই কলাৰ নামেই লোককলা। লোককলাৰ বিশেষত্ব এনে ধৰণৰ— কোনো এটা বিশেষ শৈলী বা ষ্টাইলত লোককলা সম্পূৰ্ণভাৱে খাপ খাই পৰে বুলি ক'ব নোৱাৰি; অনেক ক্ষেত্ৰত লোককলাই অসম্পূৰ্ণভাৱেহে কোনো এটা শৈলী বা ষ্টাইলৰ সমলকো প্ৰতিনিধিত্ব কৰিব পাৰে।সাধাৰণতে কোনো এটা শৈলীৰ অপৰিপূৰ্ণ প্ৰতিফলনহে লোককলাত পৰিস্ফুট হয়। কোনো কোনো সমালোচকৰ মতে লোককলা সৰল-অকৃত্ৰিম, প্ৰাদেশিক, আঞ্চলিক, আদিম, অপৰিমাৰ্জিত, অৰীতিবদ্ধ, অপ্ৰণালীবদ্ধ আৰু অবিদ্যায়তনিক। লোককলা সম্পৰ্কে কৰা এনে ধাৰণা অমূলক, কাৰণ লোককলা এটা বিশেষ শৈলী বা ষ্টাইল নহয়, লোককলা কোনো এক বিশেষ ঐতিহাসিক সময়ত সীমিত নহয়, লোককলা সম্পূৰ্ণভাৱে গঞা বুলিব নোৱাৰি, ই বিদ্যায়তনিক দাবীও পূৰণ কৰিব পাৰে।
- **মৃৎ শিল্প ঃ** এই শিল্পকলাত মাটিয়েই কলা নিৰ্মাণৰ উপযোগী মাধ্যম। মৃৎ শিল্পৰ প্ৰাচীনত্ব অনেক গুণে বেছি। পণ্ডিতসকলৰ মতে অসমত মৃৎ শিল্পৰ পৰম্পৰা সূচিত হয় জনজাতিসকলৰ পৰা। তেওঁলোকে ঘৰ আৰু সামাজিক জীৱনত প্ৰয়োজনীয় বাচন-বৰ্তনবোৰ মাটিৰ পৰা হাতেৰে প্ৰস্তুত কৰি জুইত পুৰি লৈ ব্যৱহাৰ কৰিছিল।উত্তৰ-পূব ভাৰতৰ খিলঞ্জীয়া জনজাতিসকলৰ মাজতেই মৃৎ

শিল্প নিৰ্মাণ পদ্ধতি আৰু কৌশল কৰ্ষিত ৰূপত প্ৰচলিত হৈছিল। অসমৰ বিভিন্ন অঞ্চলৰ হীৰা সম্প্ৰদায়ৰ মাজত চলি থকা মৃৎ শিল্প স্বৰূপাৰ্থত জীয়াই ৰাখিছে নাৰীসকলেহে। আহোমসকলৰ ৰাজত্বকালত পাঁচ শ্ৰেণীৰ মৃৎ শিল্পী অসমত আছিল— স্বৰ্গদেউসকলৰ দৈনন্দিন জীৱনৰ বাবে লাগতিয়াল বাচন-বৰ্তনৰ যোগান ধৰা মৃৎ শিল্পী, ডা-ডাঙৰীয়াসকলৰ দৈনন্দিন জীৱনৰ বাবে প্ৰয়োজনীয় বাচন-বৰ্তন যোগান ধৰা মৃৎ শিল্পী, মন্দিৰৰ সৈতে জড়িত মৃৎ শিল্পী, জনসাধাৰণৰ বাবে প্ৰয়োজনীয় বাচন-বৰ্তন যোগান ধৰা মৃৎ শিল্পী আৰু সত্ৰৰ সৈতে জড়িত মৃৎ শিল্পী। হীৰা আৰু কুমাৰ উভয়েই মৃৎ শিল্পৰ জৰিয়তে জীৱিকা নিৰ্বাহ কৰি আহিছে যদিও নৃতাত্ত্বিক দিশৰ পৰা হীৰা আৰু কুমাৰ দুটা সুকীয়া স্বতন্ত্ৰ জাতি। কুমাৰৰ মৃৎ শিল্প পৰম্পৰাত নাৰীতকৈ পুৰুষৰ ভূমিকাহে তাৎপৰ্যপূৰ্ণ।

- **টেৰাকোটা ঃ** টেৰাকোটাৰ অৰ্থ হৈছে পোৰামাটি। অৰ্থৰ ফালৰ পৰা বোকা আৰু বালিৰ মিশ্ৰণেৰে নিৰ্মাণ কৰি জুইত পোৰা যি কোনো শিল্পবস্তুকেই টেৰাকোটা আখ্যা দিব পাৰি। লোকসমাজৰ অনাখৰী লোকে তেওঁলোকৰ সৃজনমূলক আবেগ অনুভূতি বোকা বা মাটিৰ মাধ্যমেৰে প্ৰকাশ কৰিছিল। অতীজৰে পৰা বোকা মাটিয়ে শিল্প বস্তু নিৰ্মাণৰ বাবে উপযোগী আৰু সাৰ্থক মাধ্যম স্বৰূপে প্ৰকাৰ্য সাধন কৰি আহিছে। ভাৰতবৰ্ষ যিদৰে টেৰাকোটা শিল্পত চহকী অসমো সেইদৰে অতিকৈ চহকী। অসমত সাম্প্ৰতিক কাললৈকে আৱিষ্কৃত টেৰাকোটা মূৰ্ত্তিৰ ভিতৰত দ'পৰ্বতীয়াৰ ধ্বংসাৱশেষৰ মাজত পোৱা মূৰ্তিটো প্ৰাচীনতম। অসমত সাম্প্ৰতিক কালত উদ্ধাৰ হোৱা টেৰাকোটা মূৰ্তিবোৰক নিৰ্মাণশৈলীৰ পৰা তিনিটা শ্ৰেণীত ভাগ কৰা হয়— অসমৰ ধাৰা, পূৰ্ব-ভাৰতীয় মধ্যযুগীয় ধাৰা আৰু ভাৰতীয় খিলঞ্জীয়া শৈলী।
- **বাঁহশিল্প ঃ** লোকজীৱনত বাঁহৰ ব্যৱহাৰ সৰ্বাধিক। মানুহে ঘৰকে আদি কৰি বিভিন্ন প্ৰয়োজনী সামগ্ৰী, সা-সঁজুলি তৈয়াৰ কৰে। পৰম্পৰাগত শিল্প আৰু কলাৰ বিশিষ্ট মাধ্যম স্বৰূপে বাঁহে দূৰ অতীতৰ পৰা ভূমিকা গ্ৰহণ কৰি আহিছে। অতীজত বাঁহে সামাজিক জীৱনৰ বহু প্ৰয়োজন পূৰণ কৰিছিল। ঘৰৰ সঁজুলি, খুটা, মাৰলি, চেউতি, দমৰা, ৰুৱা, কামি, খোৰা, গৰিয়া, কুকুৰ খুটি, মেকুৰি খুটি, দুৱাৰ খিৰিকি, বেৰ, চোঁচ, গুৰি, তমাল, দেওনা, চকোৰা, চাঙ, চিলিং আদি নিৰ্মাণ কৰি জীৱন-যাপন কৰিছিল। খেতিৰ সঁজুলি, মাছমৰা সঁজুলি, আচবাব-পত্ৰ, বিচনা, ৰান্ধনিশালৰ বিভিন্ন সামগ্ৰী, ঢেকীশালৰ সামগ্ৰী, তাতশালৰ সামগ্ৰী, ঢাৰী পাটী, নামঘৰ সত্ৰৰ সামগ্ৰী, ভাওনাৰ সঁজুলি যুদ্ধ বিগ্ৰহৰ অস্ত্ৰ, চৰাই চিৰিকটি বাঁহেৰে নিৰ্মাণ কৰিছিল।
- **বেতশিল্প ঃ** অসমত হাবি জংঘল বেছি বাবে বেত সৌখাৰ খেতিও প্ৰচুৰ হয়। পুৰঠ বেত আৰু সৌকা আদি কাটি আনি প্ৰয়োজন মতে খণ্ড খণ্ড কৰি ৰ'দত

শুকুৱাই তাৰ পৰা বিভিন্ন সামগ্ৰী প্ৰস্তুত কৰে। বাঁহৰ দৈ, পাতিদৈয়াৰ দৈ আদিৰে নিৰ্মিত বিভিন্ন ঢাৰী-পাটী, বেৰ-ঘৰ আদিৰ বান্ধ বান্ধে। পুৰঠ সৌকাৰে লাঠি টোকন নিৰ্মাণ কৰাৰ উপৰিও বহা সজুলি আদিও নিৰ্মাণ কৰা হয়। ঘৰৰ চাল বেৰ আদি বেত সৌখাৰ তঙালেৰে বন্ধা হয়।

অসমত প্ৰচুৰ কাঠ পোৱা যায় বাবে কাঠেৰে নিৰ্মিত ঘৰ সঁজুলি প্ৰচুৰ। টকৌপাত, নাৰিকলৰ পাতেৰে বিভিন্ন জাপি, নাৱৰ চৈ, গৰু-মহৰ গাড়ীৰ চৈৰ উপৰিও দাঁত, হাড়, ছাল, খেৰ ইত্যাদিৰ দ্বাৰা নিৰ্মিত বিভিন্ন শিল্প বস্তুৰে অসম ভৰপুৰ। পুৰণি অসমৰ খিলঞ্জীয়া শিল্পীসকলে ধাতৰ পদাৰ্থৰ পৰা বিবিধ শিল্পবস্তু বা শিল্পকলা নিৰ্মাণ কৰিছিল। লো, পিতল, কাঁহ, সোণ, ৰূপ আদি শিল্পবস্তু বিখ্যাত।

বয়ন শিল্পত অসম অগ্ৰণী। সূতা কটা, কাপোৰ ৰং কৰা, ফুল বছা ইত্যাদি বয়ন শিল্পত অসম চহকী। ইয়াৰ উপৰি কুঁহিলা শিল্পৰে অসমৰ লোকশিল্প চহকী। বাঁহ কাঠৰে বিভিন্ন বাদ্য যন্ত্ৰ নিৰ্মাণ কৰে।

- **লোককলা ঃ** লোককলাৰ ভিতৰত অসমৰ লিখন পৰম্পৰা এক বিশিষ্ট কলা। অসমীয়া লিপিৰ প্ৰথম লিখিত প্ৰমাণ পোৱা যায় পঞ্চম শতিকাত নগাজৰী খনিকৰ গাঁৱৰ শিলালিপিৰ জৰিয়তে। সাঁচিপাত, তুলাপাত, কাঠৰ ফলক, তালপত্ৰ, জন্তুৰ ছাল, ধাতৰ পদাৰ্থ, বাঁহৰ মিহি চোঁচ বা কামী ইত্যাদিত লিখন কলা পোৱা যায়।। ইংৰাজসকল অসমলৈ অহাৰ আগলৈকে অৰ্থাৎ ১৮২৬ চনৰ পূৰ্বলৈকে অসমীয়া লিখন কলা সম্পাদিত হৈছিল ভূৰ্জপত্ৰ বা সাঁচিপাত, তুলা পাত, তালপাত ইত্যাদিত। প্ৰাচীন কালৰে পৰা অসম চিত্ৰ বিদ্যাত উন্নত আছিল তাত সন্দেহ নাই। চিত্ৰকলাৰ এটি শ্ৰেণী হৈছে পুথিচিত্ৰ। পুথিচিত্ৰৰ বাবে প্ৰয়োজনীয় সামগ্ৰীবোৰ স্থানীয়ভাৱেই পোৱা গৈছিল অথবা সংগ্ৰহ কৰা হৈছিল। দৰঙ্গীপুথিচিত্ৰ, সত্ৰীয়া পুথিচিত্ৰ, গড়গঞা পুথিচিত্ৰ, ৰাজপুত আৰু মোগল পুথিচিত্ৰ ইত্যাদি ভাগ পোৱা যায়। অসমত মূৰ্তিকলাকো কেইবাটাও ভাগত ভাগ কৰিব পাৰি—শৈৱ মূৰ্তিকলা, শক্তি মূৰ্তিকলা, ব্ৰহ্মা মূৰ্তিকলা, সৌৰ বা সূৰ্যৰ মূৰ্তিকলা, বৈষ্ণৱ মূৰ্তিকলা আৰু বিবিধ মূৰ্তিকলা।।
- **লোকস্থাপত্য বিদ্যা ঃ** সমাজত পৰম্পৰাগতভাৱে চলি অহা স্থাপত্যকলাৰ নামেই স্থাপত্য বিদ্যা। স্থাপত্য বিদ্যাৰ পৰিসৰৰ ভিতৰত সমাজত পুৰুষ পৰম্পৰানিৰ্মিত হৈ অহা ঘৰ-দুৱাৰ, নামঘৰ, গোঁসাই ঘৰ আৰু ইয়াৰ বিভিন্ন দিশ সামৰিব পাৰি। গৃহনিৰ্মাণ কলা আৰু কাৰিকৰী তথাশৈলীৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে লোক মনে সৰ্বদাই পৰম্পৰাগত স্থাপত্যকলা বা গৃহনিৰ্মাণ শৈলীত গুৰুত্ব প্ৰদান কৰি আহিছে। গৃহনিৰ্মাণ, ঘৰ লোৱা আদিৰ সৈতে বিবিধ ধৰ্মীয় কৃত্য জড়িত, ব্যক্তিগত অৰ্থাৎ পাৰিবাৰিক গৃহ নিৰ্মাণেই হওঁক কিম্বা ৰাজহুৱা নামঘৰ গোঁসাই ঘৰেই হওঁক তাত ব্যক্তি চেতনাতকৈ সামাজিক চেতনাৰ প্ৰাধান্য পৰিলক্ষিত হয়। গৃহনিৰ্মাণ আদি বিষয়ত গাঁৱৰ সৰহ সংখ্যক লোকেই সুদক্ষ। কোচ ৰজাসকলৰ স্থাপত্য, আহোম

যুগৰ মন্দিৰ, সত্ৰীয়া স্থাপত্য, ধৰ্মনিৰপেক্ষ স্থাপত্য, উপাসনাগৃহ, নামঘৰৰ স্থাপত্য, মঠ মন্দিৰৰ স্থাপত্য, সাজ-পোছাক, অয়-অলঙ্কাৰ, শৰ্যা বিন্যাস আদিও ইয়াৰ অন্তৰ্ভুক্ত।

- **লোকৰন্ধন ঃ** ভৌতিক সংস্কৃতিৰ আন এটি বিশিষ্ট উপাদান ৰন্ধন প্ৰণালী। পৰম্পৰাগত সংস্কৃতিৰ ই অপৰিহাৰ্য অঙ্গ। স্থানীয় আৰু ঘৰুৱা ৰন্ধন প্ৰণালীৰ নামেই লোকৰন্ধন প্ৰণালী। সংস্কৃতিৰ বিভিন্ন উপাদানৰ দৰে খাদ্যৰন্ধন প্ৰণালীৰ বিভিন্ন দিশে সংস্কৃতিৰ বিভিন্ন দিশক সামৰিছে। লোকৰন্ধন প্ৰণালী খাদ্য, খাদ্যৰ ৰূপতত্ত্ব, খাদ্য প্ৰস্তুত কৰা প্ৰণালী, খাদ্য সংৰক্ষণ পদ্ধতি, খাদ্যৰ সামাজিক আৰু মনস্তাত্ত্বিক প্ৰকাৰ্য আদিৰ সমষ্টি। খাদ্যই অনেক ক্ষেত্ৰত প্ৰাকৃতিক ঔষধৰ প্ৰকাৰ্য সাধন কৰাৰ বাহিৰেও যাদুমূলক প্ৰকাৰ্যও সাধন কৰে।

## ২.৫.৩ সামাজিক লোকাচাৰ

সামাজিক লোকাচাৰৰ ভিতৰত লোকবিশ্বাস, অন্ধবিশ্বাস, বিশ্বাস আৰু ধৰ্ম, যাদুমূলক লোকবিশ্বাস, দেৱ-দেৱীৰ ধাৰণাত লোকবিশ্বাস, জীৱজন্তু, চৰাই চিৰিকতিৰ লোকবিশ্বাস, লোকধৰ্ম, শৈৱধৰ্ম, কৈৱাতজ, গাণপত্য সম্প্ৰদায়, শক্তি ধৰ্ম, নাথ ধৰ্ম, তান্ত্ৰিক, বৈষ্ণৱ, বৌদ্ধধৰ্ম, উৎসৱ-অনুষ্ঠান, ঋতুকালীন বা কৃষিমূলক উৎসৱ অনুষ্ঠান, পঞ্জিকা আশ্ৰয়ী উৎসৱ অনুষ্ঠান, ব্ৰত, সংস্কাৰমূলক বা জীৱনবৃত্তমূলক, পৰম্পৰাগত খেল-ধেমালি, পৰম্পৰাগত লোকঔষধ, প্ৰাকৃতিক লোক চিকিৎসা ইত্যাদিয়েই প্ৰধান।

লোকসমাজত পৰম্পৰাগতভাৱে চলি অহা আচাৰ-অনুষ্ঠানবোৰেই সামাজিক আচাৰ-অনুষ্ঠান। জীৱন আৰু সমাজৰ এনে এটা দিশ নাই যাৰ সৈতে আচাৰ-অনুষ্ঠান জড়িত হৈ থকা নাই। আচাৰ-অনুষ্ঠানৰ আধাৰ হৈছে লোকবিশ্বাস। জীৱন-মৃত্যু, আকাশ-পৃথিৱী, পৰ্বত-পাহাৰ, মেঘ-বিজুলি, জল-স্থল, বতাহ-বৰষুণ, দেৱ-দেৱতা, ভূত-প্ৰেত, বেমাৰ-আজাৰ, জীৱ-জন্তু সম্পৰ্কীয় বিবিধ বিশ্বাস প্ৰচলিত। এই বিশ্বাসবোৰক লৈয়ে বিভিন্ন আচাৰ-অনুষ্ঠান প্ৰচলিত হয়।

লোকবিশ্বাসসমূহক তিনিটা শ্ৰেণীত ভাগ কৰা হৈছে— সঙ্কেত লোকবিশ্বাস, যাদু লোকবিশ্বাস আৰু পৰিৱৰ্তিত লোকবিশ্বাস। একক পৰাকৰণ বা চৰ্ত আৰু পৰিণতিৰ সংমিশ্ৰণত সৃষ্টি হয় সঙ্কেত লোকবিশ্বাস। সুনিৰ্দিষ্ট আৰু অনিৰ্দিষ্ট নিয়ন্ত্ৰিত চিহ্নক মেজিক বা যাদু লোকবিশ্বাস বোলে। পৰিৱৰ্তিত লোকবিশ্বাসত সঙ্কেত আৰু যাদু লোকবিশ্বাস উভয়েই জড়িত থাকে। আমাৰ লোকসমাজত চলা বিশ্বাসসমূহ এনে ধৰণৰ— মানৱ শৰীৰ সম্পৰ্কীয় লোকবিশ্বাস, লোকঔষধ, ভ্ৰমণ-যাত্ৰা, গৃহনিৰ্মাণ, মন্দিৰ-মজজিদ নিৰ্মাণ, ভবিষ্যদ্বাণী, যাদু, যমপুৰী সম্পৰ্কীয়, সৃষ্টি সম্বন্ধীয়, পথাৰ-বতৰ, জীৱ-জন্তু, চৰাই চিৰিকতি, গছ-গছনি, ফুলকেন্দ্ৰিক, স্বৰ্গীয় বস্তু সম্পৰ্কীয়, মানৱ শৰীৰ সম্পৰ্কীয়, মাহ বাৰ তিথি সম্বন্ধীয়, যাত্ৰা-খাদ্য আৰু বিবিধ বিষয়ক মিশ্ৰ বিশ্বাস।

বিজ্ঞান আৰু ধৰ্মৰ ক্ষেত্ৰত পোৱা যায় যি সমাজৰ মানসিক দিগন্তৰ পৰিসৰ তুলনামূলকভাৱে সীমিত আৰু বিচাৰ বিবেচনাৰ পৰিসৰ ঠেক তেনে সমাজতহে জনপ্ৰিয় বিশ্বাস আদিৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া সুদূৰপ্ৰসাৰী। অন্ধবিশ্বাসসমূহকো জনপ্ৰিয় বিশ্বাসৰ বহল পৰিসীমাৰ ভিতৰত সামৰি ল'ব পাৰি। আমাৰ সমাজত পৰম্পৰাগতভাৱে চলি অহা বিশ্বাসৰাজিয়ে আত্মপ্ৰকাশ কৰি আহিছে আৰু এইবোৰে সামাজিক প্ৰকাৰ্য সাধন কৰিছে। যাদু লোকবিশ্বাস প্ৰকাৰন্তৰে ধৰ্মীয় লোকবিশ্বাসেই। লোকায়ত সমাজতে হওক, সাক্ষৰ সমাজতেই হওক অথবা শিষ্ট সমাজতেই হওক ধৰ্ম সম্বন্ধীয় বিশ্বাসৰ সৈতে জড়িত হৈ আছে— নানা পূজা-পাতল, আচাৰ-অনুষ্ঠান ক্ৰিয়াকাণ্ড আদি। দেৱ-দেৱীৰ ধাৰণাত লোকবিশ্বাসৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। লোকবিশ্বাসৰ আধাৰত প্ৰতিষ্ঠিত যাদুমূলক আচাৰ অনুষ্ঠানেই আছিল দেৱ-দেৱীৰ ধাৰণাৰ পৃষ্ঠভূমি।

চৰাই চিৰিকতি, জীৱজন্তু, পোক-পতঙ্গ সম্পৰ্কীয় লোকবিশ্বাস— অসমৰ বিভিন্ন জাতি উপজাতিৰ মাজত দূৰ অতীজৰে পৰা এইবিলাক লোকবিশ্বাস প্ৰৱহমান হৈ আছে— মাছ, বাঘ, মেকুৰী, কুকুৰ, শিয়াল, কাউৰী, শগুন ইত্যাদি; চৰাই চিৰিকতি, পোক-পৰুৱা, পাইতাচ'ৰা, ডাহ-মহ আদিক লৈ প্ৰাচীনকালৰ পৰা কিছুমান লোকবিশ্বাস চলি আছে।

- **লোকধৰ্ম ঃ** লোকধৰ্মৰ অৰ্থ হ'ল যি ধৰ্ম লোকসমাজত প্ৰচলিত হৈ আছে সেয়াই লোকধৰ্ম। প্ৰাকৃতিক শক্তি সম্পৰ্কে আদিম মানৱ অন্তৰত আনকি আধুনিক মানৱ অন্তৰতো নানা ধৰণৰ বিস্ময় ভয়, সন্দেহ, সঙ্কোচ, কৌতূহল আদিৰ পৰা সৃষ্টি হোৱা ভয়, বিস্ময়, প্ৰশ্ন, সন্দেহ আদিৰ যুক্তিতেই লোকধৰ্মৰ সৃষ্টি হয়। লোকধৰ্মৰ কেইটামান বৈশিষ্ট্য এনে ধৰণৰ— এজন বা একাধিক দেৱতা বা দেৱীত গুৰুত্ব প্ৰদান, ভূত-প্ৰেত, দৈত্য-দানৱৰ ভূমিকাত গুৰুত্ব প্ৰদান, ব্যক্তি সাপেক্ষ আৰু ব্যক্তি নিৰপেক্ষ ক্ষমতাত আস্থা স্থাপন অথবা সৰ্ব জীৱত সৰ্ব সৃষ্টিত ঈশ্বৰোপলব্ধি, ভাগ্য, নিয়তি আৰু দৈৱত অগ্ৰাধিকাৰ প্ৰদান, যাদুমন্ত্ৰ, ভূত-প্ৰেত আদিৰ লগত জড়িত বিদ্যা আদিত গুৰুত্ব প্ৰদান, স্বৰ্গ-বৈকুণ্ঠ, পৰ্বত-পাহাৰ, নদ-নদী, সাগৰ হ্ৰদ জলাশয় আদি দেৱ-দেৱীৰ বাসস্থান স্বৰূপে বিশ্বাস স্থাপন, পৰম্পৰা মৌখিক বিধি ব্যৱস্থাত গুৰুত্ব দিয়া, পূজা উপাসনা প্ৰসঙ্গত বিভিন্ন নিষিদ্ধাচৰণ পালন কৰা ইত্যাদি।
- **শৈৱ ধৰ্ম ঃ** শিৱ প্ৰকৃতাৰ্থত লোকদেৱতা, জনজাতীয় দেৱতা, পৌৰাণিক দেৱতা। অতি প্ৰাচীন কালৰে পৰা অসমত শৈৱতত্ত্বই গুৰুত্বপূৰ্ণ স্থান লাভ কৰি আহিছে। অসমৰ শৈৱতত্ত্বৰ এটা প্ৰধান বৈশিষ্ট্য হৈছে ই তান্ত্ৰিকতাৰ পটভূমিত গঢ়ি উঠিছে আৰু শৈৱতত্ত্বৰ সৈতে শক্তিতত্ত্ব একাকাৰ হৈ পৰিছে। স্বৰূপাৰ্থত শিৱ আৰু শক্তি অভিন্ন। শিৱক কেন্দ্ৰ কৰি উদ্ভৱ হৈছিল কৈৰাতজ ধৰ্ম। কিৰাতসকলৰ খিলঞ্জীয়া পদ্ধতিৰে কিৰাতৰূপী শিৱ আৰু কিৰাতনীৰূপী পাৰ্বতীক পূজা কৰা হৈছিল; এই ধৰ্মীয় মতটোৱেই এনেদৰে সুদৃঢ় হৈ পৰিছিল যে ই কৈৰাতিক বা কৈৰাতজ ধৰ্ম

ৰূপে যোগিনীতন্ত্ৰ আদি সংস্কৃত গ্ৰন্থত উল্লিখিত হৈছে। কৈৰাতজ ধৰ্মৰ উদ্ভৱ সম্পৰ্কে বাণীকান্ত কাকতিয়ে কৈছে— (ক) আৰ্য্য-অনাৰ্য্যৰ সংমিশ্ৰণৰ পৰা যি ধৰ্মৰ অভ্যুদয় হ'ল তাক যোগিনী তন্ত্ৰৰ গ্ৰন্থাকাৰে কৈৰাতজ ধৰ্ম বুলিছে। (খ) কামৰূপৰ ধৰ্ম কৈৰাতজ ধৰ্ম। কামৰূপত সন্ন্যাস বিধি নাই, ইয়াত মাছ-মাংস ত্যাগ কৰাৰ বিধি আৰু ব্ৰহ্মচাৰ্য্য মতো নাই। ইয়াত হাঁহ, পাৰ, কাছ, গাহৰি খাব পাৰি, এৰিলে দুৰ্গতি হয়। সেই কাৰণে ইয়াত জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে মিলা-মিচা কৰিব পাৰে। পাণ্ডুদেৱতা, গাণপত্য সম্প্ৰদায়, সৌৰ সম্প্ৰদায়, শাক্ত সম্প্ৰাদয়,বৌদ্ধ, তান্ত্ৰিকতাবাদ, বৈষ্ণৱ ধৰ্ম, নৱবৈষ্ণৱ ধৰ্ম, গুপ্ত ধৰ্ম ইত্যাদি ইয়াৰ লোকধৰ্ম।

- ঋতুকালীন বা কৃষিমূলক উৎসৱ পৃথিবীৰ সকলো দেশৰে পৰম্পৰাগত উৎসৱ। ঋতুকালীন উৎসৱ অনুষ্ঠান কৃষিৰ সৈতে জড়িত। বিভিন্ন ঋতু অনুযায়ী এই উৎসৱ পালন কৰা হয়। বিহু, ফাকুৱা, বাসন্তী পূজা, অশোকাষ্টমী, ভেকুলী বিয়া ইত্যাদি এই শ্ৰেণীত পৰে।
- পঞ্জিকা আশ্ৰয়ী উৎসৱ অনুষ্ঠানসমূহ পক্ষ, তিথি, বাৰ, নক্ষত্ৰ অনুযায়ী অনুষ্ঠিত হয়। এনে অনুষ্ঠানে বৰত বা ব্ৰত পূজা উপাসনাৰ ভূমিকা পালন কৰে। বৈষ্ণৱ পূজা উপাসনা, জন্মাষ্টমী, ৰাসযাত্ৰা, দেৱদেৱীৰ পূজা, সংক্ৰান্তি বৰত, নক্ষত্ৰ বৰত আদি পঞ্জিকা আশ্ৰয়ী উৎসৱ।
- **সংস্কাৰমূলক বা জীৱন বৃত্তমূলক কৰ্ম ঃ** মানৱ জীৱন বিভিন্ন পৰিৱৰ্তনৰ মাজেৰে পাৰ হয়। জন্মৰ পৰা মৃত্যুলৈকে বিভিন্ন স্তৰ অতিক্ৰম কৰিব লগা হয়। সেইবোৰ হ'ল— গৰ্ভধাৰণ আৰু সন্তান জন্মৰ লগত সম্পৰ্কযুক্ত উৎসৱ অনুষ্ঠান, জন্ম আৰু শৈশৱৰ লগত জড়িত উৎসৱ অনুষ্ঠান, দীক্ষা আৰু শৰণ গ্ৰহণৰ সৈতে সম্পৃক্ত, বিবাহৰ লগত সম্বন্ধযুক্ত উৎসৱ অনুষ্ঠান, মৃতকৰ সংস্কাৰৰ লগত জড়িত উৎসৱ অনুষ্ঠান।
- **গৰ্ভধাৰণ সম্পৰ্কযুক্ত অনুষ্ঠানসমূহ হ'ল**— গৰ্ভাধান, পুংসৱন, সীমান্তোন্নয়ন, জাতকৰ্ম, নিষ্ক্ৰমন, অন্নপ্ৰাসন, কৰ্ণবেধ, চুড়াকৰণ, বিদ্যাৰম্ভ, উপনয়ন, বিদ্যাৰম্ভ, কেশান্ত, সমাৱৰ্তন আৰু বিবাহৰ লগতে পুষ্পোৎসৱ আৰু মৃতকৰ শ্ৰাদ্ধাদি ইত্যাদি।
- **পৰম্পৰাগত অৱসৰ বিনোদন আৰু খেল-ধেমালি**— খেল-ধেমালি অভিজ্ঞাপিত আচৰণৰ বিশেষ এক ৰূপ মাথোন। অৱসৰ বিনোদনৰ লগত প্ৰতিযোগিতাৰ অন্যোন্যক্ৰিয়া সম্পৃক্ত হৈ নাথাকিলে ইয়াক খেলা-ধূলাৰ পৰিসীমাত ধৰিব নোৱাৰি। খেল আৰু ধেমালিৰ মাজত পাৰ্থক্যও নোহোৱা নহয়। খেলত জয় পৰাজয়ৰ কথা আছে আৰু ধেমালিৰ লগত আনন্দদায়ক গীত পদো পোৱা যায়। খেল-ধেমালিবোৰক সাধাৰণতে দুটা ভাগত ভগোৱা হয়— ঋতুকালীন আৰু পৰম্পৰাগত। বিশ্বাস আছে যে মৃত পূৰ্বপুৰুষসকলৰ আত্মাই ওখ ওখ গছত জিৰণি লয়। এই আত্মাবিলাকৰ সন্মানৰ অৰ্থে ঋতু বিশেষে অন্তোষ্টিক্ৰিয়াৰ লগত জড়িত খেল-ধেমালি পতা হৈছিল।

এইবোৰেই ঋতুকালীন খেল-ধেমালি। পৰম্পৰাগত ধৰ্মীয় কৃত্য, উৎসৱ অনুষ্ঠান আদিৰ লগত খেল-ধেমালিবোৰেই পম্পৰাগত খেল-ধেমালি।

➢ **পৰম্পৰাগত লোকঔষধ ঃ** পৰম্পৰাগতভাৱে লোকায়ত সমাজত যি ঔষধ মৌখিক ৰূপে চলি আহিছে সেই ঔষধেই হ'ল পৰম্পৰাগত লোকঔষধ। পৃথিৱীত প্ৰচলিত লোকঔষধৰ পৰা আৰ্যুবেদ চিকিৎসা পৰম্পৰা আৰম্ভ হয়। লোকচিকিৎসা পদ্ধতি, ঔষধপাতি আদিয়ে আধুনিক বিজ্ঞানসন্মত ঔষধৰ পৰিধিত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে। লোকঔষধক মুখ্যতঃ দুটা শ্ৰেণীত ভাগ কৰিব পাৰি— প্ৰাকৃতিক লোক-চিকিৎসা আৰু যাদুবিদ্যাগত ধৰ্মীয় লোকচিকিৎসা। প্ৰাকৃতিক লোকচিকিৎসা বনৌষধি আশ্ৰিত, গছ লতা তৃণ আদিৰ পাত-মুকুল, ফুল-ফল আদিয়েই এইবিধ চিকিৎসাৰ মূল উপাদান। এইবিধ চিকিৎসা যুক্তিনিষ্ঠ, কিন্তু যাদুমূলক চিকিৎসা বিশ্বাসনিষ্ঠ। ইয়াত ৰোগৰ কাৰণ উলিয়াবলৈ গণনা কৰা, ঠিকনা চোৱা, জৰা ফুকা কৰা ইত্যাদি কাৰ্য কৰে।

## ২.৫.৪ লোকপৰিৱেশ্য কলা

পৰিৱেশ্য কলাৰ মাজেৰে মৌখিক বা লিখিত কলাক চাক্ষুষ ৰূপ দিয়া হয়। এই কলাৰ মাজেৰে গীত, পদ, বাদ্য, বাজনা, অভিনয়, শ্ৰুতি জনশ্ৰুতি, মালিতা বা কাহিনী গীত, লিখিত নাট-নাটক আদিয়ে নৃত্য গীত-বাদ্য বাজনা-অভিনয় আদিৰ মাজেৰে দৃশ্য-শ্ৰব্য ৰূপ পৰিগ্ৰহ কৰে।

জনজাতীয়, মাৰ্গী, লোকসঙ্গীত, অসমৰ ৰাগপ্ৰধান সঙ্গীতৰ পৰম্পৰা, পাঁচালি সঙ্গীত, সত্ৰীয়া গীত, নৃত্য, নাট্য, অভিনয়, লোকনৃত্য, পূজা উপাসনাৰ সৈতে জড়িত নৃত্ত, ওজাপালি, ব্যাস ওজাপালি, সুকনানি ওজাপালি, সত্ৰীয়া নৃত্য, পুতলা অভিনয়, ঢুলীয়া ভাইৰা, কুসান গান, ভাৰী গান, ধুৰানাট, পালাগান, আনুষ্ঠানিক নাটক, অভিনয় মঞ্চ, ভাৱৰীয়া ইত্যাদিৰ মাজেৰে লোকপৰিৱেশ্য কলা পৰিৱেশন কৰা হয়।

➢ **লোক-জনজাতীয় মাৰ্গী ঃ** বাচিক কলাৰ এটি বৃহৎ অংশ আগুৰি থকা লোককবিতা ৰাজিক লোকগীত আখ্যা দিব পাৰি। পৰিৱেশ্য কলাৰ প্ৰসঙ্গত সেই নিৰ্দিষ্ট লোক কবিতাটোত আমি সুৰ-তাল-বাদ্য বাজনা সঙ্গত কৰি গাওঁ, গতিকে এইবোৰ লোকগীত বা জনজাতীয় গীত। লোকসঙ্গীত বা জনজাতীয় সঙ্গীত নান্দনিক দিশতো ঋদ্ধ। লোকসঙ্গীতৰ কথাবস্তুৰ নান্দনিক আকৰ্ষণ, ইয়াৰ সুৰ-তাল-লয়ৰ অনুৰঞ্জন আদিয়ে এইবিধ সঙ্গীত ধাৰাক শাস্ত্ৰীয় বা পৰিশীলিত সঙ্গীতৰ ধাৰালৈ উত্তৰণ ঘটাত তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে আৰু ইয়াৰ সৈতে লোকবাদ্যযন্ত্ৰৰ সম্পৰ্ক অস্বীকাৰ কৰিব নোৱাৰি। মাৰ্গী সঙ্গীত অধিক ৰীতিবদ্ধ, ইয়াৰ ধৰণ বা ৰূপ সুনিৰ্দিষ্ট, ৰাগ তাল সুনিৰ্দিষ্ট, পৰিমাৰ্জনা বিশিষ্ট, সুগঢ়ী, আত্মসজাগতা, ৰাষ্ট্ৰীয় চৰকাৰৰ দ্বাৰা

স্বীকৃত। জীৱনবৃত্তৰ লগত সম্পৰ্কযুক্ত বিভিন্ন সংস্কৃতিয়ে অসমীয়া লোকজীৱনৰ ছবি উজ্জ্বল কৰি তুলিছে। গীতৰ ক্ষেত্ৰত অসমত বহুতো ৰাগপ্ৰধান গীত পোৱা যায়। বৰগীত, অঙ্কীয়া নাটৰ গীত, পাঁচালী সঙ্গীত, ধ্ৰুপদী ইত্যাদিৰ নাম ল'ব পাৰি।

দেহাৱয়ৱত হোৱা তালান্বিত অঙ্গী-ভঙ্গীৰ নাম নৃত্ত। নৃত্তই কোনো ধৰণৰ ভাব (অভিনয়) আৰু ৰস প্ৰকাশ বা অভিজ্ঞাপন কৰিব নোৱাৰে। আনহাতে নৃত্য, নাট্য প্ৰকৃতাৰ্থত নাচেই। অভিনয় আৰু নাট্যৰ সম্পৰ্কৰ গুৰিতে আছে নৃত্য আৰু অভিনয়ৰ সম্বন্ধৰ পৰম্পৰা। বিহু, বৈছাগু নাচকে ধৰি বিভিন্ন নাচ বিশেষ লোকনৃত্য।

লোকপৰিৱেশ্য কলাৰ অৰ্দ্ধনাটকীয় সমলবিশিষ্ট অনুষ্ঠেয় কলা ওজাপালি যথাৰ্থতে সৰ্বভাৰতীয় কথকতা পৰম্পৰাৰ প্ৰত্যক্ষ ধাৰক আৰু বাহক। *ৰামায়ণ, মহাভাৰত, পুৰাণ* কাহিনী সহজ-সৰল গদ্যত বুজাই দিয়ে। গীত-পদৰ বিষয়বস্তু অনুসৰি ইয়াক কেইবাটাও ভাগত ভাগ কৰা হৈছে— সুকন্নানি ওজাপালি, বিষহৰি ওজাপালি, মাৰে পুজাৰ গান, *পদ্মা পুৰাণ*ৰ গান, গীতালু বা গাহান আৰু ৰাখোৱাল গীত।

শঙ্কৰদেৱৰ পূৰ্বে অৰ্থাৎ সত্ৰ অনুষ্ঠান প্ৰতিষ্ঠিত হোৱাৰ পূৰ্বে জনজাতীয় আৰু লোকঅনুষ্ঠান যে প্ৰচলিত আছিল তাত সন্দেহ নাই। লোকনাট্যনুষ্ঠানৰ সমলেৰে সত্ৰীয়া নৃত্য বা শঙ্কৰী নৃত্য গঢ় লয়। ইয়াৰ ৰূপসমূহ সূত্ৰধাৰী নৃত্য, কৃষ্ণভঙ্গী অথবা গোঁসাই প্ৰৱেশৰ নাচ, গোপী প্ৰৱেশৰ নাচ, পালি নাচ, ঝুমুৰা, নৃত্যভঙ্গী, ৰাস নৃত্য, যুদ্ধৰ নাচ, ভাৰৰীয়া নাচ, ধেমালিৰ নাচ আৰু ওজাপালিৰ নাচ।

- **লোকনাট্য ঃ** মুখ পৰম্পৰা প্ৰচলিত আৰু লিখিত ৰূপ গ্ৰহণ নকৰা নাটেই লোকনাট্য। লোকনাট্যৰ উদ্ভৱ আৰু বিকাশত লোকগীত আৰু লোকনৃত্যৰ ভূমিকা সুদূৰপ্ৰসাৰী। লোকনাট্য দুই প্ৰকাৰৰ— ধৰ্মীয় আদৰ্শ প্ৰধান, ধৰ্মনিৰপেক্ষ তথা আনন্দমূলক। ধৰ্মীয় আদৰ্শৰ ভিতৰত হ'ল মহাকাব্যিক পৌৰাণিক চৰিত্ৰ প্ৰধান আৰু লৌকিক দেৱ-দেৱীৰ মাহাত্ম্যমূলক। ধৰ্ম নিৰপেক্ষতাৰ ভিতৰত হ'ল— জনশ্ৰুতি, সাধুকথা, ইতিহাস আশ্ৰয়ী, সামাজিক আৰু স্থানিক ঘটনা হাস্যমূলক, কৌতুক বিষয়ক কাহিনী। ইয়াৰে সামাজিক স্থানিক হাস্যমূলকৰ দুটা ভাগ পাওঁ। সেই দুটা হ'ল— প্ৰণয়মূলক কাহিনী আৰু বীৰত্বমূলক কাহিনী।

লোক নাট্যানুষ্ঠানৰ অন্যতম অনুষ্ঠান পুতলা নাচ। পুতলাভিনয়ক সাংযুতিক দিশৰ পৰা চাৰি ভাগত ভাগ কৰিব পাৰি— সূত্ৰ বা সূতাৰে পৰিচালনা কৰা পুতলা, ছায়া পুতলা, লাঠিৰে পৰিচালনা কৰা পুতলা, হাতেৰে পৰিচালনা কৰা পুতলা।

ঢুলীয়া ভাইৰা/ভাউৰীয়া/ভাওনা— লোকনাট্যানুষ্ঠানৰ অন্যতম অঙ্গ হ'ল কামৰূপৰ ঢুলীয়া ভাউৰীয়া। এই অভিনয় দুই প্ৰকাৰৰ— (১) পৌৰাণিক কাহিনীৰ লগত জড়িত অভিনয়, আৰু (২) সমকালীন সমাজৰ সামাজিক আচৰণাদিক তীব্ৰভাৱে ব্যঙ্গ কৰি প্ৰদৰ্শন কৰা অভিনয় যাক ছং আখ্যা দিয়া হয়।

- **কুশান গান ঃ** সৰ্বভাৰতীয় কথকথা পৰম্পৰাত কুশান গান, ভাৰীগান আদি পৰিৱেশ্য কলাৰ উদ্ভৱ হৈছে। কথাৰ দ্বাৰা প্ৰদৰ্শিত অনুষ্ঠানেই কথকতা। ৰামায়ণ, মহাভাৰত, পুৰাণৰ কাহিনী কওঁতাৰ নিচিনাকৈ গীত তথা আবৃত্তি কৰি ব্যাখ্যা কৰে।
- **ভাৰীগান ঃ** ৰামায়ণ-মহাভাৰতৰ বিষয়বস্তুক লৈ পৰিৱেশন কৰা ভাৰীগান একপ্ৰকাৰ অগতানুগতিক কথাশৈলী। ভাৰীগানৰ পৰাই ভাও শব্দটোৰ উৎপত্তি হৈছে। ইয়াত গীদাল, বাইন, পালি, দোহাৰী থাকে। এই কলা দুই শ্ৰেণীৰ— মুখাযুক্ত ভাৰীগান আৰু মুখাবিহীন ভাৰীগান অভিনয়।
- **খুলীয়া ভাউৰীয়া ঃ** দৰঙৰ অন্যতম বিশিষ্ট কলা হ'ল খুলীয়া ভাউৰীয়া। এই অনুষ্ঠানৰ ভাউৰীয়া, ওজা, খুলীয়া, তালুৱৈ, পালি, ভাওৰীয়া আদি চৰিত্ৰ ৰাইজৰ মাজতে সীমিত। খেতিয়ক, বেপাৰী, দোকানী, বাঢ়ৈ, কমাৰ, হীৰা, সোণাৰী আদি বৃত্তিধাৰী লোকে এই পৰিৱেশ্য কলাৰ নিৰ্বাহিকাসকলৰ ভূমিকা পালন কৰে। ইয়াৰ সাংযুতিক এককবিলাক— বেদী, ওজা, খুলীয়া, পালি, অভিনেতা, দৰ্শক, দৰ্শকৰ পথ, ভাওৰীয়াৰ পথ, ছো ঘৰ, সহায়কাৰী ব্যক্তি, স্মাৰক, যাত্ৰা, কলপুলি ইত্যাদি।
- **ধুৰানাট ঃ** অঙ্কীয়া নাটৰ আধাৰত নৱবৈষ্ণৱ যুগৰ পিছত উজনি অসমত একশ্ৰেণী নাট আৰু অভিনয় কলাক ধুৰা নাট বা ভাওনা নাট বোলা হয়। ধুৰানাটবোৰ হ'ল খটাসুৰ বধ, বঘাসুৰ বধ, নহুষ উদ্ধাৰ, কুলাচল বধ, পাণ্ডৱৰ বনবাস, যুধিষ্ঠিৰৰ ধৈৰ্য্য পৰীক্ষা, সুভদ্ৰাহৰণ, শকুনিৰ প্ৰতিশোধ, কুৰুক্ষেত্ৰ যুদ্ধ ইত্যাদি।
- **পালা গান ঃ** পালা ভাওনাৰ অৰ্থ হ'ল *কীৰ্ত্তন* অথবা ধৰ্ম সম্বন্ধীয় সঙ্গীতৰ সম্পূৰ্ণ ইতিবৃত্তৰ কিছু অংশ। অভিনয় বা সঙ্গীতৰ এটি আখ্যায়িকা, গীত আৰু অভিনয়ৰ বিষয় আৰু কাহিনী নাটক ইত্যাদি। ইয়াত গায়ক এজন— প্ৰধান গায়ক, বাদ্য বাদক দুজন— মৃদঙ্গবাদক এজন আৰু মঞ্জিৰা বা সৰুতাল বাদক এজন, পালিয়া দুজন, সহায়কাৰী তিনিজন।

নৱবৈষ্ণৱ যুগৰ অন্যতম নাট হ'ল অঙ্কীয়া নাট। শঙ্কৰদেৱ এই নাটৰ জনক। ইয়াৰ বৈশিষ্টবোৰ হ'ল— সুত্ৰধাৰৰ প্ৰাধান্য, ব্ৰজাৱলী ভাষা, গীত শ্লোকৰ ব্যৱহাৰ, স্পন্দিত গদ্য, প্ৰস্তাৱনা, নান্দী শ্লোক, মুক্তি মঙ্গল, ভটিমা, প্ৰৰোচনা, মঞ্চ, মুখা, ভাৱৰীয়া, ছোঁ, সচিত্ৰপট, ৰং, আভৰণ, চুলি, ঘুণ্ডৰা আৰু নৈতিক দিশ প্ৰদৰ্শন।

এই পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰথম পাঠ্যবিষয় আৰু তৃতীয় পাঠ্যবিষয়ত শঙ্কৰদেৱৰ বিৰচিত অঙ্কীয়া নাটৰ বিস্তৃত আলোচনা সন্নিৱিষ্ট আছে। সেই বাবে এই উপশাখাত অঙ্কীয়া নাটৰ কথা মাত্ৰ উল্লেখ কৰা হ'ল।

**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** লোকসংস্কৃতি কাক বোলে? ইয়াৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত লিখক)

**প্ৰশ্ন নং ২ ঃ** লোকসংস্কৃতিৰ শ্ৰেণী বিভাজন সম্পৰ্কে এটি আলোচনা আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত লিখক)

**প্ৰশ্ন নং ৩ ঃ** মৌখিক সাহিত্য বা বাচিক কলাৰ বিষয়ে এটি চমু প্ৰবন্ধ যুগুত কৰক। (২৫০টা শব্দৰ ভিতৰত লিখক)

**প্ৰশ্ন নং ৪ ঃ** ভৌতিক সংস্কৃতিৰ দিশ কেইটা চমুকৈ আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত লিখক)


**প্ৰশ্ন নং ৫ ঃ** সামাজিক লোকাচাৰ কাক বোলে? সামাজিক লোকচাৰ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক। (৩০০টা শব্দৰ ভিতৰত লিখক)

**প্ৰশ্ন নং ৬ঃ** লোকপৰিৱেশ্য কলাৰ বিভিন্ন দিশসমূহৰ চমু পৰিচয় দিয়ক। (২৫০টা শব্দৰ ভিতৰত লিখক)



## ২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লোকসংস্কৃতিৰ সংজ্ঞা সম্পৰ্কে ধাৰণা লাভ কৰিব পৰা গ'ল।
- লোকসংস্কৃতিৰ পৰিচয়ৰ লগতে বৈশিষ্ট্যসমূহৰ বিষয়ে জানিলোঁ।
- লোকসংস্কৃতিৰ শ্ৰেণী বিভাজনৰ বিভিন্ন দিশসমূহৰ লগত পৰিচিত হ'লো।
- মৌখিক সাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ আৰু লোকপৰিৱেশ্য কলাৰ মাধ্যমেৰে লোকসংস্কৃতিৰ দিশসমূহত আলোকপাত কৰা হ'ল।
- লোকসংস্কৃতিৰ বিভিন্ন শ্ৰেণীসমূহে লোকজীৱনৰ আচাৰ-ব্যৱহাৰ, কলা-সংস্কৃতিক কেনেদৰে প্ৰতিফলিত কৰিছে সেই বিষয়ে অৱগত হ'ব পাৰিলোঁ।



## ২.৭ অধিক জানিবলৈ


১) গগৈ, লীলা (১৮৮২); *অসমৰ সংস্কৃতি*; যোৰহাট।

২) বৰদলৈ, নিৰ্মল প্ৰভা (২০০৪); *অসমৰ লোকসংস্কৃতি*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৩) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৮৯); *অসমত লোকসংস্কৃতি*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৪) ভট্টাচাৰ্য, প্ৰমোদ চন্দ্ৰ (সম্পা.) (১৯৬২); *অসমৰ জনজাতি*; গুৱাহাটী ঃ লয়াৰ্ছ বুক ষ্টʼল।


৫) ৰাজবংশী, পৰমানন্দ (সম্পা.) (২০০৩); *অসমীয়া জাতি আৰু সংস্কৃতি*; অসমীয়া বিভাগ, প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী।

৬) শৰ্মা দলৈ, হৰিনাথ (২০০৩); *বাৰেবৰণীয়া অসম*; পদ্মপ্ৰিয়া লাইব্ৰেৰী।

৭) শৰ্মা, নবীন চন্দ্ৰ (১৯৮৯); *অসমীয়া লোকসংস্কৃতিৰ আভাস*; পাণবজাৰ, গুৱাহাটী ঃ বাণী প্ৰকাশ।

৮) শৰ্মা, নবীন চন্দ্ৰ (২০০৯); *অসমৰ সাংস্কৃতিক ইতিহাস*, দ্বিতীয় খণ্ড; অসম সাহিত্য সভা, যোৰহাট।

৯) শৰ্মা, শশী (১৯৯৩); *অসমৰ লোকসাহিত্য*, গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।



## ২.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

**১নং প্ৰশ্নৰ উত্তৰ ঃ** লোকসংস্কৃতিৰ সংজ্ঞা আৰু বৈশিষ্ট্যসমূহ।

**২নং প্ৰশ্নৰ উত্তৰ ঃ** লোকসংস্কৃতিৰ শ্ৰেণী বিভাজনসমূহৰ আলোচনা আৰু তাৰ গুৰুত্ব।

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** মৌখিক সাহিত্য শ্ৰেণীৰ পৰিচয় আৰু বিভিন্ন দিশসমূহৰ আলোচনা।

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** ভৌতিক সংস্কৃতি সম্পৰ্কে আলোচনা কৰিব লাগিব আৰু দিশসমূহৰ চমু পৰিচয় দিব লাগিব।

**৫নং প্ৰশ্নৰ উত্তৰ ঃ** সামাজিক লোকাচাৰ কাক বোলে লিখিব লাগিব আৰু বিতং আলোচনা আগবঢ়াব লাগিব।

**৬নং প্ৰশ্নৰ উত্তৰ ঃ** লোকপৰিৱেশ্য কলা কাক বোলে লিখিব লাগিব আৰু দিশসমূহৰ চমু পৰিচয় দিব লাগিব।



## ২.৯ আৰ্হি প্ৰশ্ন

**প্ৰশ্ন ১ ঃ** লোকসংস্কৃতি কাক বোলে? ইয়াৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

**প্ৰশ্ন ২ ঃ** লোকসংস্কৃতিৰ শ্ৰেণীবিভাজনৰ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

**প্ৰশ্ন ৩ ঃ** মৌখিক সাহিত্য বা বাচিক কলাৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।

**প্ৰশ্ন ৪ ঃ** ভৌতিক সংস্কৃতিৰ দিশকেইটা আলোচনা কৰক।

**প্ৰশ্ন ৫ ঃ** সামাজিক লোকাচাৰ কাক বোলে? সামাজিক লোকাচাৰ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

**প্ৰশ্ন ৬ ঃ** লোকপৰিৱেশ্য কলাৰ বিভিন্ন দিশসমূহৰ চমু পৰিচয় দিয়ক।

*** ***** ***